
## ডিব্ৰুগড়ত বন বিভাগৰ অভিযান ঃ চোৰাং কাঠ ভৰ্তি ৬খন ট্ৰাক জব্দ

# চোৰাং কাঠ সৰবৰাহত বিজেপিৰ নেতা



ডিব্ৰুগড় ঃ ষ্টাফ ৰিপৰ্টাৰ, ২৬ নৱেম্বৰ ঃ ডিব্ৰুগড়ৰ বন বিভাগৰ খোৱাং সংমণ্ডলৰ অভিযানকাৰী দলে আজি পুৱা অভিযান চলাই ৩৭নং ৰাষ্ট্ৰীয় ঘাইপথত চেঁচা তিনিআলিৰ সমীপত ৬খন কাঠ পৰিবাহী ট্ৰাক জব্দ কৰে। অভিযানৰ সময়ত তাৎপৰ্যপূৰ্ণভাৱে ট্ৰাককেইখনৰ চালক আৰু হেণ্ডিমেন পলাই যাবলৈ সক্ষম হয়। নথি-পত্ৰবিহীন ট্ৰাক-কেইখনত কঢ়িয়াই অনা কাঠৰ কুন্দা আৰু খয়েৰৰ *বাৰ পিঠিলৈ*

## চোৰাং কাঠ সৰবৰাহত...

*এক পিঠিৰ পৰা* কুন্দাসমূহ বন বিভাগে জব্দ কৰে। চোৰাং কাঠ আৰু খয়েৰৰ কুন্দাসমূহেৰে অৰুণাচলৰ পৰা কাকপথাৰ, তিনিচুকীয়া হৈ ডিব্ৰুগড় জিলা পাৰ হ'বলৈ চেষ্টা কৰিছিল। এই চোৰাং কাঠ সৰবৰাহকাৰী চক্ৰটোৰ সৈতে শাসকীয় বিজেপিৰ শদিয়াৰ পালিনেতা জড়িত থকাৰ অভিযোগ উঠিছে। প্ৰাপ্ত খবৰ মতে, তিনিচুকীয়া জিলাৰ এটা সমষ্টিৰ বিধায়কৰ ঘনিষ্ঠ হোৱাৰ সুবাদতে বহু দিন এই চক্ৰটোৱে অবাধে চোৰাং কাঠৰ সৰবৰাহ কৰি আহিছে। বহু লাখ টকা মূল্যৰ আজি জব্দ কৰা কাঠ আৰু খয়েৰৰ কুন্দাসমূহ তিনিচুকীয়াৰ জনৈক মেধি আৰু মৰাণ উপাধিধাৰী ব্যক্তিৰ বুলি জানিব পৰা গৈছে। প্ৰাপ্ত খবৰ মতে, অৰুণাচলৰ পৰা আহি তিনিচুকীয়া জিলাত চোৰাং কাঠৰ ট্ৰাকসমূহ প্ৰৱেশ কৰাৰ পাছতে ডিৰাক গে'টৰ পৰা ৰূপাইলৈকে বিজেপিৰ দুজন নেতাই ট্ৰাকসমূহ পাৰ কৰাই দিয়ে। ইয়াৰ বাবত প্ৰতিখন ট্ৰাকৰ পৰা তেওঁলোকে ২৫০০০ টকাকৈ লয়। ইয়াৰ এটা অংশ বন বিভাগৰ এটা চক্ৰলৈ যোৱাৰ অভিযোগ আছে। তাৎপৰ্যপূৰ্ণ কথা এয়ে যে অৰুণাচলৰ পৰা অহা চোৰাং কাঠৰ ট্ৰাকসমূহ বন বিভাগৰ কাকপথাৰ সংমণ্ডলৰ বিষয়া-কৰ্মচাৰীয়ে পাৰ হৈ যোৱাত বাধা আৰোপ নকৰে। দুৰ্নীতিৰ বিৰুদ্ধে আপোচ নকৰা বুলি দাবী কৰি অহা বিজেপি-নেতৃত্বাধীন মিত্ৰজোঁটৰ ৰাজ্য চৰকাৰৰ দিনতেই এতিয়া কাঠ, খয়েৰ আৰু কয়লাৰ চোৰাং বেহা মুকলিকৈ চলিবলৈ ধৰা কাৰ্য তাৎপৰ্যপূৰ্ণ বুলি বিবেচিত হৈছে।

DAINIK ASAM, Guwahati, Wednesday, November 27, 2019

## বাতমাৰী বালি মহল বন্ধ কৰি ৰাইজৰ অভিযোগ

# তেজপুৰত অবাধে চলিছে বালি, শিল, মাটিৰ অবৈধ ব্যৱসায় !

জিলাৰ বাতৰি দিওঁতা


**তেজপুৰ, ২৬ নৱেম্বৰ ঃ** ৰাজ্য চৰকাৰৰ বন বিভাগৰ একাংশ দুৰ্নীতিগ্ৰস্ত বন বিষয়া আৰু কৰ্মচাৰীৰ ছত্ৰছাঁয়াতে তেজপুৰ চহৰৰ নিচেই কাষতে থকা মৰাভৰলী নদীৰ পৰা অবাধে শিল, বালি আৰু মাটিৰ সৰবৰাহ চলি আছে। ৰাজহ আদায় নিদিয়াকৈ চালানবিহীনভাৱে ট্ৰাক আৰু ডাম্পাৰেৰে দিনৌ তেজপুৰৰ বিভিন্ন প্ৰান্তলৈ শিল, বালি আৰু বল্ডাৰ সৰবৰাহ কৰি অহাৰ পাছতো বন বিভাগৰ লগতে শোণিতপুৰ জিলা প্ৰশাসনেও কোনো ব্যৱস্থা গ্ৰহণ নকৰাৰ গুৰুতৰ অভিযোগ উত্থাপন হৈছে। অভিযোগ অনুসৰি, তেজপুৰ বনাঞ্চলিক বিষয়াৰ কাৰ্যালয়ৰ এলেকাৰ মৰাভৰলী মহলৰ লগতে পৰোৱাৰ গড়কাপ্টানি দলঙৰ উত্তৰ দিশৰ পৰাও ব্যাপক হাৰত জধে- মধে বালি আৰু মাটিৰ সৰবৰাহ চলি আহিছে। বন বিভাগে দুই - এখন ডাম্পাৰ জব্দ কৰিয়েই দায়িত্ব সামৰাত স্থানীয় ৰাইজৰ মাজত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। ইফালে তেজপুৰৰ ভিতৰসুঁতি, গোটলোং, জাহাজডুবা, দীপচৰ আৰু খলিহামাৰী অঞ্চলৰ পৰাও চালানবিহীনভাৱে ট্ৰাক আৰু ডাম্পাৰেৰে বালি আৰু মাটিৰ সৰবৰাহ চলি থকাৰ পাছতো বন বিভাগ এই ক্ষেত্ৰত নীৰৱ। আনহাতে, জীয়াভৰলী নদীৰ পৰাও অবৈধভাৱে একাংশ লোকে শিল সংগ্ৰহ কৰি বিভিন্ন ঠাইলৈ সৰবৰাহ কৰি মুনাফা লুটি আহিছে। দীৰ্ঘদিন ধৰি অঞ্চলটোত চোৰাংভাৱে শিল, বালি আৰু মাটিৰ সৰবৰাহ চলি থকাৰ সময়তে কালি ৰাইজে বাতমাৰী বালিমহলটো বন্ধ কৰি দিছিল যদিও আজি পুনৰ মহলটোত খনন চলাই থকাত ৰাইজ ক্ষুব্ধ হৈ পৰিছে। ৰাইজে অতি শীঘ্ৰে তেজপুৰত চালানবিহীনভাৱে চলি থকা শিল, বালি আৰু মাটিৰ সৰবৰাহ বন্ধ কৰিবৰ বাবে বন বিভাগৰ লগতে শোণিতপুৰ জিলা প্ৰশাসনৰ ওচৰত দাবী জনাইছে। উল্লেখ্য যে, শোণিতপুৰ জিলাৰ ডি এফ অ' ৰঞ্জিত কোঁৱৰে অভিযান চলাই মাত্ৰ কেইদিনমান পূৰ্বে চোৰাংভাৱে শিল, বালি সৰবৰাহ কৰা তিনিখনকৈ ডাম্পাৰ জব্দ কৰি বৃহৎ পৰিমাণৰ জৰিমনা বিহিছিল। ৰাইজে চোৰাংভাৱে বনজ সম্পদ সৰবৰাহ কৰা ট্ৰাক, ডাম্পাৰসমূহ জব্দ কৰি পুনৰ মোকলাই নিদিবৰ বাবে দাবী জনাইছে।

## ডবকাত বন মাফিয়াৰ দৌৰাত্ম্য


## ■ পুনৰ কাটিলে চেগুন গছ

# অসহায় বন বিভাগ

লামডিং ঃ এজন সংবাদদাতা, ২৬ নৱেম্বৰ ঃ হোজাই জিলাত অব্যাহত আছে বন মাফিয়াৰ দৌৰাত্ম্য। বন মাফিয়াই বনজ সম্পদসমূহ নিজৰ পৈতৃক সম্পদৰূপে ব্যৱহাৰ কৰি থকাৰ অভিযোগ উঠিছে। হোজাইত বৰ্তমান বালি, শিল আৰু বনাঞ্চলৰ সামগ্ৰী লুণ্ঠনৰ প্ৰতিযোগিতা চলাই আছে মাফিয়া চক্ৰই। ইফালে জিলাখনৰ বন বিভাগত কৰ্মৰত একাংশ বন বিষয়া, কৰ্মচাৰীৰ বাবে সোণৰ কণী পৰা হাঁহৰ লেখীয়া হৈ পৰিছে। এইসকল দুৰ্নীতিগ্ৰস্ত বন বিষয়া-কৰ্মচাৰী আৰু প্ৰভাৱশালী চক্ৰৰ সহযোগত জিলাখনত বন মাফিয়া চক্ৰই চলাই গৈছে অবৈধ ব্যৱসায়। নিষ্ঠাৱান বন বিষয়াই এই মাফিয়াসকলৰ বিপক্ষে গ'লেই ৰাজহুৱাভাৱে



অপদস্থ কৰাৰ লগতে জিলাৰ একাংশ সংবাদ মাধ্যমত এই বিষয়ে প্ৰচাৰ হ'লে সাংবাদিককো নানা ভয়-ভাবুকিৰে মুখ বন্ধ কৰাৰ চেষ্টা চলায়। ইয়াৰ মাজতে আজি দিনৰ ভাগত জিলাখনৰ ডবকাত বন মাফিয়াৰ সন্ত্ৰাস অব্যাহত ৰখাৰ তথ্য পোহৰলৈ আহিছে। আজি একপাৰুণি নামৰ ঠাইত বন মাফিয়াৰ এটা চক্ৰই ৮ ডালকৈ মূল্যৱান চেগুন গছ কটা বুলি জানিব পৰা গৈছে। অৱশ্যে এই চক্ৰটোৱে এডালো গছ নিবলৈ সক্ষম নহ'ল। বন বিভাগে খবৰ পাই ঘটনাস্থলীত উপস্থিত হোৱাত বন মাফিয়াৰ দলটোৱে পলায়ন কৰা বুলি খবৰ পোৱা গৈছে। উল্লেখযোগ্য যে কিছুদিন পূৰ্বেও একে স্থানৰ পৰাই ছয় ডালকৈ মূল্যৱান গছ কাঁটি লৈ গৈছিল বন মাফিয়াৰ দলে। বন বিভাগে তদন্ত আৰম্ভ কৰিছে যদিও গছ কটা চক্ৰটোৰ কোনো শুংসূত্ৰ লাভ কৰিব পৰা নাই।




# ৰঙা বনাঞ্চলৰ ১ নং ধেমাগড়ত পকী পথ নিৰ্মাণ অৰুণাচল চৰকাৰৰ

## নিৰ্বিকাৰ অসম চৰকাৰৰ বন বিভাগ ঃ আতংকিত সীমান্তবাসী

**প্ৰতিদিন বিশেষ সেৱা, নাওবৈচা, ২৭ নৱেম্বৰ ঃ** বন বিভাগ, লখিমপুৰ জিলা প্ৰশাসনৰ নিৰ্লিপ্ত ভূমিকাৰ সুযোগত নাওবৈচাৰ সীমান্তৱৰ্তী এলেকাসমূহত চুবুৰীয়া অৰণাচল প্ৰদেশে ব্যাপক আগ্ৰাসন অব্যাহত ৰাখিছে। শেহতীয়াকৈ অসমৰ ৰঙা সংৰক্ষিত বনাঞ্চলৰ মাজেৰে অৰুণাচল প্ৰদেশ চৰকাৰে এটা পকীপথ নিৰ্মাণ কৰি থকাক কেন্দ্ৰ কৰি সীমান্তবাসী অসমীয়া আতংকগ্ৰস্ত হৈ পৰিছে। ৰঙা বনাঞ্চলৰ ভূমিত অৰুণাচল প্ৰদেশে পকীপথৰ নিৰ্মাণ চলাই থকাৰ সময়তো লখিমপুৰ জিলা প্ৰশাসন অথবা বন বিভাগে চকু মুদি হাত সাবটি বহি থকা কাৰ্যই তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। নাওবৈচা ৰাজহ চক্ৰ এলেকাৰ ৰঙা সংৰক্ষিত বনাঞ্চলৰ এক নং ধেমাগড়ত অৰুণাচল প্ৰদেশ চৰকাৰৰ পূৰ্ণ সহযোগিতাত অৰুণাচলী পৰিয়ালে বাস কৰা দুই নং বোকা গাঁৱত এই পথটো নিৰ্মাণ কৰিছে। অৰুণাচল প্ৰদেশ চৰকাৰে চতুৰ্দশ বিত্ত আয়োগৰ পুঁজিৰে পকীপথটোৰ নিৰ্মাণ প্ৰায় সম্পূৰ্ণ কৰি তুলিছে। হাৰমতী আঞ্চলিক বন বিষয়াৰ কাৰ্যালয়ৰ অধীনৰ আৰু ফুলবাৰী বন খণ্ড এলেকাত অৰুণাচল প্ৰদেশে নিৰ্মাণ কৰি থকা পকীপথৰ নিৰ্মাণকাৰ্য বন্ধ কৰাৰ লগতে সকলো বেদখল শীঘ্ৰে উচ্ছেদৰ বাবে সীমান্তৱৰ্তী জনসাধাৰণে কৰ্তৃপক্ষক দাবী জনাইছে।

অসমীয়া প্ৰতিদিন ■ গুৱাহাটী ■ বৃহস্পতিবাৰ, ২৮ নৱেম্বৰ, ২০১৯/১১ আঘোণ, ১৯৪১ শক

## ছিণ্ডিকেট ঃ সংবাদমেলত পুনৰ বিস্ফোৰণ অখিল গগৈৰ

# অবৈধ কয়লা খননক লৈ বন বিভাগে দাখিল কৰা প্ৰতিবেদন লুকুৱালে মুখ্যমন্ত্ৰীয়ে

**প্ৰতিবেদন প্ৰকাশ পালে ধুমুহাৰ সৃষ্টি হ'ব ৰাজ্যৰ ৰাজনীতিত ঃ হেজাৰ হেজাৰ ট্ৰাকে নিশা কঢ়িয়াইছে চোৰাং কয়লা**




প্ৰতিদিন সংবাদ, গুৱাহাটী, ২৭ নৱেম্বৰ ঃ মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ পৃষ্ঠপোষকতাত লিডু আৰু মাৰ্ঘেৰিটাত পুনৰ আৰম্ভ হৈছে কয়লাৰ অবৈধ খনন। বিধানসভাৰ অধিৱেশন আৰম্ভ হোৱাৰ প্ৰাক্‌ক্ষণত ৰাজ্যত অধিক ৰমৰমীয়া হৈ উঠিছে কয়লাৰ চোৰাং বেহা। নম্বৰপ্লেটবিহীন হেজাৰ হেজাৰ ট্ৰাক ■ ১০ পৃষ্ঠাত

## অবৈধ কয়লা খননক লৈ বন বিভাগে দাখিল কৰা প্ৰতিবেদন


■ *প্ৰথম পৃষ্ঠাৰ পৰা* আৰু বলেৰ' পিক আপ ভানে জাগুন, লিডু, মাৰ্ঘেৰিটাৰ পৰা ৰাজ্যৰ ভিন্ন প্ৰান্তলৈ চোৰাংকৈ সৰবৰাহ কৰিছে ক'লা হীৰাস্বৰূপ কয়লা। অতি ৰহস্যজনক পৰিস্থিতিত প্ৰতিদিনে মাজনিশা ৰাজপথত শাৰী শাৰীকৈ চলা ট্ৰাকসমূহ দেখিও নেদেখাৰ ভাও জুৰিছে আৰক্ষী-প্ৰশাসনে। দিছপুৰৰ প্ৰত্যক্ষ হস্তক্ষেপৰ বাবে লিডু-মাৰ্ঘেৰিটাত পুনৰ মূৰ দাঙি উঠিছে কয়লাৰ ছিণ্ডিকেটৰাজে। আজি কয়লা ছিণ্ডিকেট সন্দৰ্ভত পুনৰ কেতবোৰ বিস্ফোৰক তথ্য, ফটোগ্ৰাফ আৰু ভিডিঅ' ফুটেজ ৰাজহুৱা কৰি সৰব হৈ পৰে কৃষক নেতা অখিল গগৈ। গুৱাহাটীৰ গান্ধীবস্তিস্থিত কৃষক মুক্তি সংগ্ৰাম সমিতিৰ মুখ্য কাৰ্যালয়ত এখন সংবাদমেল সম্বোধন কৰি কৃষক নেতাজনে কয়লা ছিণ্ডিকেট সন্দৰ্ভত মুখ্যমন্ত্ৰী সোণোৱাল, মাৰ্ঘেৰিটাৰ বিধায়ক ভাস্কৰ শৰ্মা, ৰাজ্য চৰকাৰৰ এটা বিভাগৰ এজন সদস্য-সচিব, আৰক্ষী আৰু প্ৰশাসনৰ ভূমিকাক তুলাধুনা দিয়ে। জাগুন, লিডু, মাৰ্ঘেৰিটাত পুনৰ সাংঘাতিক ৰূপত কয়লা ছিণ্ডিকেট আৰম্ভ হোৱা বুলি দাবী কৰি অখিল গগৈয়ে এই সম্পৰ্কীয় ফটোগ্ৰাফ আৰু ভিডিঅ' ফুটেজ প্ৰদৰ্শন কৰে। তেওঁ দাবী কৰে যে ডিগবৈ বন সংমণ্ডলৰ অন্তৰ্গত পাহাৰ আৰু বনাঞ্চলত কয়লাৰ অবৈধ খননৰ জৰিয়তে উলিয়াই নিয়া হৈছে কেইবা হেজাৰ কোটি টকা। বন বিভাগে ডিগবৈ বন সংমণ্ডলৰ অধীনৰ বনাঞ্চলত চলা অবৈধ কয়লা খনন সন্দৰ্ভত প্ৰস্তুত কৰা প্ৰতিবেদনৰ ভিত্তিত এই তথ্য ৰাজহুৱা কৰে কৃষক নেতাজনে। বন বিভাগৰ তথ্যৰ আঁত ধৰি অখিল গগৈয়ে কয় যে প্ৰধান মুখ্য বন সংৰক্ষক (পি চি চি এফ)ৰ কাৰ্যালয়ে ডিগবৈ বন সংমণ্ডলৰ সংৰক্ষিত বনাঞ্চলত চলা কয়লাৰ অবৈধ খনন সন্দৰ্ভত এক তদন্তৰ নিৰ্দেশ দিছিল। তদন্তৰ প্ৰতিবেদন ইতিমধ্যে অনুসন্ধানকাৰী বিষয়াই জমা দিছে ৰাজ্য চৰকাৰক। কিন্তু অতি ৰহস্যজনক পৰিস্থিতিত প্ৰতিবেদনখন গাপ দি ৰাখিছে স্বয়ং মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে। ৰাজ্যৰ এগৰাকী অতিৰিক্ত মুখ্য সচিবক ব্যৱহাৰ কৰি মুখ্যমন্ত্ৰীয়ে সমগ্ৰ প্ৰতিবেদনখনকে সলনি কৰাৰ কুচকাৱাজত ব্যস্ত হৈ পৰিছে। বন বিভাগৰ এটা সূত্ৰৰ আধাৰত অখিল গগৈয়ে কয় যে প্ৰতিবেদনখন বিচাৰি কৃষক মুক্তি সংগ্ৰাম সমিতিয়ে তথ্য জনাৰ অধিকাৰ আইনৰ অধীনত আবেদন জনাইছিল। কিন্তু বন বিভাগে প্ৰতিবেদনখন প্ৰদানৰ পৰা বিৰত থাকে। কিন্তু বিভাগটোৰ এটা সূত্ৰই জনোৱামতে প্ৰতিবেদনখনত ভয়ংকৰ তথ্য সন্নিৱিষ্ট হৈছে। এই প্ৰতিবেদনখন প্ৰকাশ পালে অসমৰ ৰাজনীতিত ধুমুহাৰ সৃষ্টি হ'ব। অসমৰ ৰাজনতিক ইতিহাসৰ আটাইতকৈ ডাঙৰ কেলেংকাৰী সংঘটিত হৈছে দুৰ্নীতিমুক্ত অসমৰ শ্ল'গান দিয়া মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ শাসন কালত। ছিণ্ডিকেট চক্ৰৰ পৃষ্ঠপোষকতা কৰা মুখ্যমন্ত্ৰী সোণোৱাল, বিধায়ক ভাস্কৰ শৰ্মা আৰু সদস্য-সচিবে অবৈধ কয়লাৰ পৰা সংগৃহীত হেজাৰ হেজাৰ কোটি টকাৰ পৰা লাভ কৰিছে কমিছন। ফলত বন বিভাগৰ প্ৰতিবেদনখন লুকুৱাই থোৱা হৈছে বুলি অভিযোগ কৰে অখিল গগৈয়ে। তেওঁৰ মতে প্ৰতিবেদনখনত উল্লেখ থকা অনুসৰি এতিয়া যিধৰণে অবৈধ কয়লাৰ খনন অব্যাহত আছে, এইদৰে চলিলে মাত্ৰ দুবছৰৰ ভিতৰত নিঃশেষ হ'ব ঐতিহ্যমণ্ডিত পাটকাই পাহাৰ। কিয়নো পাটকাই পাহাৰত ১৫০ খন ফকলেনে দিনে-নিশাই চলাই গৈছে কয়লাৰ অবৈধ খনন। কয়লা খননৰ নামত মাত্ৰ দুবছৰত স্বৰ্গদেউ চুকাফাৰ নাম জড়িত হৈ থকা ঐতিহ্যমণ্ডিত পাহাৰখন চিৰদিনলৈ নিঃশেষ হ'ব। ছিণ্ডিকেটৰ বাবে চলি থকা অবৈধ কয়লা খনন তথা ৰাজ্যৰ সৰ্ববৃহৎ কেলেংকাৰীত জড়িত হৈ বন বিভাগৰ প্ৰতিবেদন লুকুৱাই ৰখা মুখ্যমন্ত্ৰী সোণোৱালক তীক্ষ্ণ বাক্যবাণেৰে সমালোচনা কৰে কৃষক নেতাজনে। ইপিনে লিডু-মাৰ্ঘেৰিটাত কয়লাৰ অবৈধ খনন তথা ছিণ্ডিকেট পুনৰ আৰম্ভ হোৱাৰ তথ্য ৰাজহুৱা কৰিবলৈ গৈ অখিল গগৈয়ে ডিগবৈৰ বিধায়ক সুৰেন ফুকনে ফে'চবুকত দিয়া এটা ভিডিঅ' সংবাদমেলত প্ৰদৰ্শন কৰে। যোৱা ২৫ নৱেম্বৰৰ নিশা ১২ বজাত বিধায়কজনে তেওঁৰ ঘৰৰ সন্মুখেৰে কয়লা সৰবৰাহকাৰী হেজাৰ হেজাৰ ট্ৰাকৰ চলাচলক লৈ এটা ফে'চবুক লাইভ দিয়ে। য'ত নম্বৰপ্লেটবিহীন ট্ৰাকে ডিগবৈৰ ৰাজপথেৰে অবৈধভাৱে কঢ়িয়াই নিছে কয়লা। ফে'চবুক লাইভত বিধায়কজনে ক্ষোভ ব্যক্ত কৰিছে যে একাংশই তেওঁক কয়লা ছিণ্ডিকেটত জড়িত থকা বুলি অভিযোগ দিছে। যিটো কথা গোকাট মিছা। তাৰ বিপৰীতে তেওঁ অবৈধ কয়লা সৰবৰাহৰ ফে'চবুক লাইভ দি প্ৰমাণ কৰিছে যে ৰাজ্যত চলিছে ক'লা হীৰাৰ ৰমৰমীয়া বেহা। কৃষক নেতাজনে এই সন্দৰ্ভত কয় যে ৰাজ্যত কয়লাৰ চোৰাং বেহা এতিয়াও চলি থকা বুলি শাসকীয় বিজেপিৰ এজন বিধায়কে ঘোষণা কৰিছে। শাসকীয় দলৰ বিধায়ক এজনে কয়লাৰ ছিণ্ডিকেটৰ তথ্য ৰাজহুৱা কৰাৰ পিচত চকু মুদা কুলিৰ ভাও গ্ৰহণ কৰি থকা মুখ্যমন্ত্ৰী সোণোৱালে পদত্যাগ কৰিব লাগে। অখিলৰ মতে মুখ্যমন্ত্ৰীয়ে বোধহয় ছিণ্ডিকেটৰ তথ্য ৰাজহুৱা কৰা বাবে বিধায়ক ফুকনক ধমকিহে দিছে। কাৰণ সেইদিনা নিশাই বিধাকয়জনে ফে'চবুক লাইভটো নিজৰ একাউণ্টৰ পৰা আঁতৰাই দিয়ে। কৃষক নেতাজনে সেয়ে আজি কয় যে বিধায়ক সুৰেন ফুকনে যদি মিছা মাতিছে, তেন্তে তেওঁক গ্ৰেপ্তাৰ কৰক। নহ'লে ছিণ্ডিকেটক পৃষ্ঠপোষকতা কৰা মুখ্যমন্ত্ৰীয়ে নৈতিক দায়িত্ব স্বীকাৰ কৰি পদত্যাগ কৰক। সংবাদমেলত অখিল গগৈয়ে ডিগবৈ অঞ্চলত অবৈধ কয়লা সৰবৰাহকাৰী ট্ৰাকৰ তাণ্ডৱৰ তথ্যও প্ৰদৰ্শন কৰে। বিশেষকৈ যোৱা ২৪ নৱেম্বৰৰ নিশা এখন কয়লা সৰবৰাহকাৰী ট্ৰাকে মেজিক বাহন এখনক মুখামুখিকৈ খুন্দা মাৰে। ফলত চাৰিজন লোকে প্ৰাণ হেৰুৱায়। দুৰ্ঘটনাটো সংঘটিত হোৱাৰ দিনা ৰাজপথটোত আবদ্ধ হৈ পৰিছিল হেজাৰ হেজাৰ ট্ৰাক। এই সম্পৰ্কীয় ভিডিঅ' ফুটেজ আৰু ফটোগ্ৰাফো তেওঁ আজি ৰাজহুৱা কৰে। তদুপৰি লিডু ৰে' ব্ৰীজ, নিশা ডেৰ বজাত পিংৰাহত শাৰী শাৰী কয়লা সৰবৰাহকাৰী ট্ৰাকৰ শাৰীৰ ভিডিঅ' তেওঁ প্ৰদৰ্শন কৰে। কাইলৈৰ পৰা আৰম্ভ হ'বলগীয়া বিধানসভাৰ অধিৱেশনলৈ কোনো গুৰুত্ব নিদি কেৱল মুখ্যমন্ত্ৰীৰ কাৰ্যালয়ৰ পৃষ্ঠপোষকতাতে ছিণ্ডিকেট চক্ৰই অব্যাহত ৰাখিছে কয়লাৰ অবৈধ খনন। আনহাতে লিডু-মাৰ্ঘেৰিটাত চলি থকা কয়লা ছিণ্ডিকেট সন্দৰ্ভত সম্প্ৰতি মৌন হৈ পৰা সাংসদ প্ৰদ্যুৎ বৰদলৈকো সমালোচনাৰ লক্ষ্য কৰি লয় অখিল গগৈয়ে। সংসদৰ অধিৱেশনত কেৱল মাত্ৰ এটা লিখিত প্ৰশ্ন কৰিয়েই সাংসদজনে দায়িত্ব সামৰা বুলি অভিযোগ কৰি তেওঁ প্ৰশ্ন কৰে যে প্ৰদ্যুৎ বৰদলৈয়ে কয়লা ছিণ্ডিকেট সন্দৰ্ভত এইবাৰ কিয় হুলস্থুল কৰা নাই। সংসদৰ মজিয়াত কিয় সজোৰে মাত মতা নাই। তদুপৰি কাইলৈৰ পৰা অনুষ্ঠিত হ'বলগীয়া বিধানসভাৰ অধিৱেশনত কয়লা ছিণ্ডিকেটৰ বিষয়টো উত্থাপনৰ বাবে কংগ্ৰেছক দাবী জনায়। ইপিনে অচিৰেই লিডু-মাৰ্ঘেৰিটাৰ কয়লা ছিণ্ডিকেট বন্ধ নহ'লে কৃষক মুক্তিয়ে মুখ্যমন্ত্ৰীৰ বাসগৃহ ঘেৰাও কৰিব বুলি আজি পুনৰ দোহাৰে অখিল গগৈয়ে।

নিয়মীয়া বাৰ্তা

বুধবাৰ, ২৭ নৱেম্বৰ ২০১:

## আওপুৰণি অস্ত্ৰৰে চলিছে বন বিভাগ

# বিহগুৰিত হাতী খেদিবলৈ চলোৱা বন্দুকৰ নলী ফাটি আহত বনকৰ্মী



বিশেষ বাৰ্তা, ঢেকীয়াজুলি, ২৬ ফেব্ৰুৱাৰী ঃ ৰাজ্যখনৰ বন বিভাগৰ ফোঁপোলা স্বৰূপ পুনৰ উদং হ'ল। হাতী খেদি বলৈ শূন্যলৈ গুলীচালনা কৰোঁতে বন্দুকৰ নলী ফাটি কথমপি প্ৰাণ ৰক্ষা পৰিল এগৰাকী বনকৰ্মীৰ। উল্লেখ্য যে তেজপুৰৰ বিহগুৰি অঞ্চলত কেইবাদিনো ধৰি বন্যহস্তীৰ সন্ত্ৰাস চলি থকাত বন বিভাগৰ তেজপুৰ ডিভিজনৰ আমাৰিবাৰী ৰেঞ্জৰ এটা দলে বন্যহস্তী খেদিবলৈ গৈ শূন্যলৈ গুলী কৰোঁতে চিৰিলা চিৰিলকৈ ফাটিল বন্দুকৰ নলী। মন কৰিবলগীয়া যে বন বিভাগৰ তেজপুৰ ডিভিজনত মাত্ৰ দুটা আওপুৰণি বন্দুকেৰে চলি আছে বনৰীয়া হাতী, বাঘ, গঁড় খেদা কাৰ্য। এইবাৰ হাতী খেদিবলৈ গৈ কথমপি প্ৰাণৰক্ষা পৰিল বন বিভাগৰ তেজপুৰ ১৩ পৃষ্ঠাত

## বিহগুৰিত হাতী খেদিবলৈ চলোৱা

ডিভিজনৰ চেণ্ট্ৰেল ৰেঞ্জ আমাৰিবাৰীৰ বনকৰ্মী প্ৰবীণ বৰাৰ লগতে চতিয়াৰ বিধায়ক পদ্ম হাজৰিকাৰ হাতী ৰামুৰ মাউতগৰাকী। ভুক্তভোগী বনকৰ্মী প্ৰবীণ বৰাই সাংবাদিকক জনাই যে আমাৰীবাৰী চেণ্ট্ৰেল ৰেঞ্জত মাথোঁ দুটাই দুনলীয়া বন্দুক আছিল। ইয়াৰে এটা বন্দুকৰ কেইদিনমান পূৰ্বে বিহগুৰি অঞ্চলত হাতী খেদিবলৈ যাওঁতে বন্দুকৰ বেৰেল ফাটি মোৰ কথমপি প্ৰাণৰক্ষা পৰিছিল। গতিকে এটা বন্দুকেৰে কিদৰে বন্যহস্তীৰ লগতে আন জীৱ জন্তুৰ পৰা ৰাইজক উদ্ধাৰ কৰিব পৰা যাব। এইক্ষেত্ৰত বনকৰ্মীসকলো চূড়ান্ত নিৰাপত্তাহীনতাত ভোগাৰ কথা জনায় বনকৰ্মীগৰাকীয়ে। ৰাজ্য চৰকাৰ তথা বন বিভাগক বনকৰ্মীসকলৰ গুৰুতৰ সমস্যা সমাধান কৰাৰ লগতে ৰাইজক নিৰাপত্তা প্ৰদান কৰিবলৈ অত্যাধুনিক মাৰণাস্ত্ৰ প্ৰদান কৰিবলৈ আহ্বান জনায় বনকৰ্মীগৰাকীয়ে।

আমাৰ অসম

# অসমৰ বনাঞ্চলত এন এছ চি এনে স্থাপন কৰিছে শিবিৰ, বনাঞ্চল সুৰক্ষা প্ৰদানত ব্যৰ্থ অসম চৰকাৰ

## অভয়পুৰ সংৰক্ষিত বনাঞ্চল নগাৰ দখলত

**চক্ৰাইৰ প্ৰতিবেদক আৰু সোণাৰিৰ বিশেষ প্ৰতিবেদক, ২৬ নৱেম্বৰ ঃ** চৰাইদেউ জিলাৰ সৰ্ববৃহৎ অভয়াৰণ্য অভয়পুৰ সংৰক্ষিত বনাঞ্চল সম্প্ৰতি নগাৰ অবাধ বেদখলৰ কবলত। জিলাখনৰ অসম-নাগালেণ্ড সীমান্তত অৱস্থিত বনাঞ্চলখন এতিয়া নগাৰ অবাধ বিচৰণস্থলীলৈ পৰ্যবসিত হৈছে। নগাই বনাঞ্চলখনৰ অভ্যন্তৰত প্ৰৱেশ কৰি কেৱল মূল্যৱান গছ-গছনি কাটি ধ্বংসযজ্ঞ চলোৱাই নহয়, লগতে স্থাপন কৰিছে এন এছ চি এনৰ শিবিৰ আৰু নগা গাঁও (বস্তি)। এই তথ্য সম্প্ৰতি পোহৰলৈ আহিছে চৰাইদেউ জিলা প্ৰশাসন, আৰক্ষী আৰু বন বিভাগৰ যুটীয়া এটা অভিযানত। সংবাদ মাধ্যমত বনাঞ্চলখনত চলি থকা অবাধ বেদখল সন্দৰ্ভত বাতৰি প্ৰকাশিত হোৱাৰ পাছতেই কালি চৰাইদেউ জিলাৰ অতিৰিক্ত উপায়ুক্ত জিতু কুমাৰ দাস, সোণাৰি ৰাজহ চক্ৰ বিষয়া প্ৰিয়াংশু ভৰদ্বাজ, অতিৰিক্ত আৰক্ষী অধীক্ষক মৃণাল ডেকা, সোণাৰি থানাৰ ভাৰপ্ৰাপ্ত বিষয়া দিপন্ত ফুকনসহ বন বিভাগ আৰু আৰক্ষীৰ প্ৰায় ৫০জনীয়া এটা দলে সংবাদকৰ্মীক লগত লৈ বনাঞ্চলখনৰ অভ্যন্তৰত প্ৰৱেশ কৰে। এই অভিযানত দলটোৱে বনাঞ্চলখনত নগা বিদ্ৰোহীয়ে স্থাপন কৰা বস্তি ধ্বংস কৰাৰ লগতে কেইবাজনো নগা কাঠকটীয়াক অস্ত্ৰ, সক্ৰিয় গুলী, কাঠ কটা মেচিনসহ আটক কৰিবলৈ সক্ষম হয়। জানিব পৰা মতে, নগা বিদ্ৰোহীয়ে বনাঞ্চলখনৰ মূল্যৱান গছ-গছনি কাটি নাগালেণ্ডৰ মন জিলাত থকা কেইবাটাও প্লাইউড ফেক্টৰীত যোগান ধৰি আহিছে। লগতে বনাঞ্চলখনত মুকলি কৰা স্থানত বস্তি স্থাপন কৰি উক্ত অঞ্চল নগা ৰাজ্যৰ দখললৈ নিবলৈ চেষ্টা অব্যাহত ৰাখিছে। কালিৰ অভিযানকালত আটক কৰা ছজন লোকক নাগালেণ্ডৰ মন জিলাৰ বিভিন্ন বস্তিৰ বাসিন্দা ক্ৰমে টিগাই কন্যাক, জাইপো কন্যাক, জনী কন্যাক, ইয়াংগম কন্যাক, চাংয়াং কন্যাক আৰু টিংমা কন্যাক বুলি চিনাক্ত কৰা হৈছে। উল্লেখ্য, অভয়পুৰ সংৰক্ষিত বনাঞ্চলৰ মুঠ মাটিকালি ৬,৭০,৩৫,৬২০ হেক্টৰ। শিৱসাগৰ আৰু চৰাইদেউ জিলাৰ নাগালেণ্ড সীমান্তত থকা এই বনাঞ্চলখনৰ নাগালেণ্ডৰ দিশত ব্যাপক হাৰত নগাই বেদখল অব্যাহত ৰাখিছে। বনাঞ্চলখন চোৰাচিতা কৰিবলৈ বনাঞ্চলখনৰ অভ্যন্তৰত বন বিভাগৰ তিনিটা নিৰীক্ষণ শিবিৰ আছে যদিও পৰ্যাপ্ত বনকৰ্মী, অস্ত্ৰ-শস্ত্ৰ আৰু সা-সুবিধাৰ অভাৱ। ইয়াৰ পূৰ্ণ সুযোগ গ্ৰহণ কৰি নগা বিদ্ৰোহীয়ে অব্যাহত ৰাখিছে বন ধ্বংস যজ্ঞ। অসম চৰকাৰ তথা বন বিভাগৰ অকৰ্মণ্যতাৰ সুযোগ লৈ সময়ে সময়ে নগাই বনাঞ্চলখন অতিক্ৰমি অসমৰ সীমাত প্ৰৱেশ কৰি বনাঞ্চলখনৰ দাঁতিকাষৰীয়া গাঁওসমূহত উপদ্ৰৱ চলাই আহিছে। ইমানৰ পাছতো অসম চৰকাৰ, আৰক্ষী বা বন বিভাগে নগা বেদখলকাৰীৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ সক্ষম হোৱা নাই।

# Forest degradation, unplanned mining of natural resources to blame

## MAN-PACHYDERM CONFLICT

A CORRESPONDENT

**NUMALIGARH, Nov 27:** The man-elephant conflict is not a new topic. But in today's world, this issue is causing serious concern due to loss of human life and property as well as the increasing number of deaths of elephants.

According to a Forest Survey of India report, Assam suffered the maximum loss of forest cover in the entire country including 17 sq km of very dense forest from 2010 to 2011 and 152 sq km of moderately dense forest. Due to various factors, forest patches have undergone significant degradation.

The Nambor Reserve Forest along the Golaghat-Karbi Anglong district was declared a 'Reserved Forest' with an area 875.50 sq km in 1872 during the British rule, making it one of the oldest reserve forests of that time. In 1952, around 6 sq. km. of forest land was cut off from Nambor to be



included in the Garampani Reserve Forest. But it turned into a den of anti-social activities. Renowned botanist Dr. Padmeswar Gogoi along with other social activists has been demanding proper steps to conserve the forest resources of Nambor and Garampani.

Acting on their mounting pressure, on July 27, 2000, the Assam Government declared 37 sq km area of the Nambor Reserve Forest in Karbi Anglong district as Nambor Wildlife Sanctuary. The remaining portion of forest area under Golaghat district was named as the Nambor-Doigrung Wildlife Sanctuary in 2003. Since then, no proper or adequate measures have been seen taken by Assam Forest Department or the government to secure the flora and fauna of this Nambor-Doigrung Wildlife Sanctuary. Massive encroachments had taken place in the past times in the name of development and land resettlements. Increasing human population, agricultural expansions, encroachment on forests and consequent habitat and corridor loss of elephants, human interference within the natural habitat and shortage of food and water in the habitat have increased the number of man-elephant conflict incidents.

Unplanned mining of natural resources like sand, gravel/stones and wood logging are also main drivers of the man-elephant conflict. Without any

■ Continued on page 9

## Forest degradation, unplanned mining...

legal protection of the secondary and foraging corridors of elephants, illegal and unplanned developmental activities on these critical elephant corridors are obstructing the free movement of elephants and are important drivers of the man-elephant conflict. In Assam, every year at least 20-30 persons are losing their lives while a dozen or so elephants are killed in retaliation. In the current year the number of human death due to the human-elephant conflict in Assam is reported 32 and the number of reported elephant deaths is 45.

According to data, between the years 1989-2019, more than 115 elephants have died in Golaghat district alone due to electrocution and other man-made causes. On the other hand, more than 140 human deaths were reported between the years 1995-2019 caused by the human-elephant conflict in Golaghat. Another data shows that during 2003 to 2014, total 733 humans were killed by wild elephants in Assam. From 2001 to 2014, a total of 225 wild elephants were killed. This conflict is not going to end as the human population is growing and the habitat available for elephants is shrinking.

The overall population of wild Asian elephants in Assam is around 4,000 and the census figures by the Forest department showed a declining trend. Even if those figures are treated as not accurate, there is no doubt at all that the number is coming down and certainly not going up. This indicates that a sizeable number of poaching go unreported. Many calves die after falling in tea garden drains. Recently cases of disappearance of sub-adult tuskers from herds were also alleged by local conservationist groups near Nambor-Doigrung Wildlife Sanctuary.

Elephants also cause financial loss to farmers and villagers when they raid crop fields and storage houses to feed on rice grains, fruits and other foods. The loss of a season's harvest is an enormous loss for a poor farmer and repeated crop depredations by elephants have created serious problems in many parts of Assam and